**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-11-2024 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বিহাৰৰ মধুবনি জিলাৰ ঝনঝাৰপুৰত আয়োজিত এটা কাৰ্যসূচীত ৫০ হাজাৰৰো অধিক হিতাধিকাৰীক এহেজাৰ ১২১ কোটিৰো অধিক টকাৰ ঋণৰ আৱণ্টন পত্ৰ বিতৰণ কৰে।

২। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে চুৰাটৰ কিমত বুলেট ট্ৰেইন চলাচলৰ শ্লেব নিৰ্মাণৰ সুবিধাৰ লগতে আনুসংগিক আন দিশসমূহ পৰিদৰ্শন কৰে।

৩। সৰ্প দংশন আৰু ইয়াৰ ফলত হোৱা মৃত্যুৰ বিষয়টো ৰাজ্যিক জনস্বাস্থ্য আইন বা অন্য প্ৰযোজ্য বিধিৰ অধীনত অধিসূচনা জাৰি কৰিবলগীয়া ৰোগ হিচাপে চিহ্নিত কৰিবলৈ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক নিৰ্দেশ দিছে।

৪। মহাৰাষ্ট্ৰৰ দেৱলালীত আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে দেশৰ প্ৰতিৰক্ষা বাহিনী আৰু ছিংগাপুৰ প্ৰতিৰক্ষা বাহিনীৰ যুটীয়া সামৰিক অনুশীলন অগ্নি ৱাৰিয়ৰ-২০২৪ অনুষ্ঠিত হৈছে।

আৰু

৫। চৈয়দ মোদী ইণ্ডিয়া আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় যুটি ট্ৰেছা জলী আৰু গায়ত্ৰী গোপিছান্দ পুলেলাই মহিলা ডাবল্‌ছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

0000000

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বিহাৰৰ মধুবনি জিলাৰ ঝনঝাৰপুৰত আয়োজিত এটা কাৰ্যসূচীত ৫০ হাজাৰৰো অধিক হিতাধিকাৰীক এহেজাৰ ১২১ কোটিৰো অধিক টকাৰ ঋণৰ আৱণ্টন পত্ৰ বিতৰণ কৰে। শ্ৰীমতী সীতাৰমনে পি এম স্বনিধি, পি এম বিশ্বকৰ্মা, মুদ্ৰা, ষ্টেণ্ড-আপ ইণ্ডিয়া আৰু কিষাণ ক্ৰেডিট কাৰ্ড আঁচনিৰ ভালেমান হিতাধিকাৰীক এই প্ৰমাণ পত্ৰ বিতৰণ কৰে। ইয়াৰ পূৰ্বে তেওঁ মহিলা আত্ম-সহায়ক গোট, বিশেষকৈ জীৱিকা দিদিৰ সৈতে আলোচনাত মিলিত হয়। আত্ম সহায়ক গোটৰ মহিলাসকলে হস্তশিল্প, মৃৎশিল্প, কাঠফুলাকে ধৰি বিভিন্ন কৃষিজাতীয় সামগ্ৰী প্ৰদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰী সীতাৰমনে আজি কয়, যে ২০৪৭ চনৰ উন্নত ভাৰতৰ সংকল্পৰ দিশত মহিলাসকলে উন্নয়নৰ ইঞ্জিন হিচাপে অৰদান আগবঢ়াব। অনুষ্ঠানত শ্ৰীমতী সীতাৰমনে কয়, যে চৰকাৰে মুকলি কৰা ড্ৰোণ দিদি আঁচনিয়ে লাখপতি দিদি গঢ়াত সহায় কৰিব আৰু প্ৰধানমন্ত্ৰীৰ উন্নত ভাৰতৰ স্বপ্নক মহিলাসকলে নেতৃত্ব বহন কৰিব। শ্ৰীমতী সীতাৰমনে কয়, যে কেন্দ্ৰীয় চৰকাৰ উত্তৰ বিহাৰৰ উন্নয়নৰ বাবে দায়বদ্ধ আৰু এই অঞ্চলটোৰ বান প্ৰতিৰোধৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। ইয়াৰ বাবে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত পুঁজি আৱণ্টন কৰা হৈছে।

0000000

গুজৰাটলৈ এদিনীয়া ভ্ৰমণসূচীৰে যোৱা কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি চুৰাটৰ কিমত বুলেট ট্ৰেইন চলাচলৰ শ্লেব নিৰ্মাণৰ সুবিধাৰ লগতে আনুসংগিক আন দিশসমূহ পৰিদৰ্শন কৰে। সংবাদ

মাধ্যমৰ আগত শ্ৰী বৈষ্ণৱে কয়, যে অত্যাধুনিক প্ৰযুক্তিৰে এয়া হৈছে দেশৰ ভিতৰত সৰ্ববৃহৎ নিৰ্মাণৰ সুবিধা। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে অনাগত বৰ্ষসমূহত দেশৰ বিভিন্ন নিৰ্মাণৰ কামত এই সুবিধা বিশেষ হিচাপে পৰিগণিত হ'ব। তেওঁ লগতে বদোদৰা জিলাৰ লখোদৰা প্লাছাৰ ইণ্ডিয়া ফেক্টৰী পৰিদৰ্শন কৰে। এই কাৰখানাটো হৈছে ৰে'লৰে ট্ৰেক মেৰামতিৰ সা-সঁজুলি নিৰ্মাণ কৰা বিশ্বৰ সৰ্বাধিক প্ৰকল্প।

০০০০০০০

সৰ্প দংশন আৰু ইয়াৰ ফলত হোৱা মৃত্যুৰ বিষয়টো ৰাজ্যিক জনস্বাস্থ্য আইন বা অন্য প্ৰযোজ্য বিধিৰ অধীনত অধিসূচনা জাৰি কৰিবলগীয়া ৰোগ হিচাপে চিহ্নিত কৰিবলৈ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক নিৰ্দেশ দিছে। সকলো ৰাজ্যৰ স্বাস্থ্য বিভাগৰ প্ৰধান সচিব নাইবা অতিৰিক্ত মুখ্য সচিবলৈ প্ৰেৰণ কৰা এখন পত্ৰত স্বাস্থ্য মন্ত্ৰালয়ে এই বিষয়ে প্ৰকাশ কৰিছে। বিশেষকৈ জনজাতি বসতিপ্ৰধান অঞ্চল আৰু কৃষকসকলৰ মাজত সৰ্প দংশনৰ ফলত মৃত্যু, অসুস্থতা আৰু অক্ষমতা সৃষ্টি হ'ব পাৰে বুলি কেন্দ্ৰীয় স্বাস্থ্য সচিব পুণ্য সলীলা শ্ৰীবাস্তৱে প্ৰেৰণ কৰা এই পত্ৰখনত উল্লেখ কৰা হৈছে। তেওঁ কয় যে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে ২০৩০ চনৰ ভিতৰত সৰ্প দংশনৰ বিষক্ৰীয়া প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰীয় কাৰ্যপন্থা অৰ্থাৎ এন এ পি এছ ই শীৰ্ষক পদক্ষেপ গ্ৰহণ কৰিছে। সংশ্লিষ্ট মন্ত্ৰালয় আৰু অংশীদাৰসকলৰ সৈতে আলোচনা কৰি গ্ৰহণ কৰা এই পদক্ষেপৰ দ্বাৰা ২০৩০ চনৰ ভিতৰত সৰ্প দংশনৰ ফলত হোৱা মৃত্যু কমেও আধালৈ হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে। উল্লেখযোগ্য যে অধিসূচনা জাৰি কৰিবলগীয়া ৰোগৰ ক্ষেত্ৰত ততালিকে জনস্বাস্থ্য কৰ্তৃপক্ষ অৱগত কৰা প্ৰয়োজন। এনে ৰোগৰ ক্ষেত্ৰত সজাগতা সৃষ্টি, ইয়াৰ নিৰীক্ষণ, নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধৰ তাৎক্ষনিক ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন বুলিও স্বাস্থ্য সচিবগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে INS-বিক্ৰমাদিত্যৰ মেৰামতিৰ বাবে কোচিন শ্বিপয়াৰ্ড লিমিটেডৰ সৈতে আজি এহেজাৰ ২০০ কোটিৰো অধিক টকা মূল্যৰ চুক্তি সম্পন্ন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জানিবলৈ দিয়া অনুসৰি এই প্ৰকল্পৰ ফলত কোচিন শ্বিপয়াৰ্ড লিমিটেডৰ মেৰামতিকে ধৰি আন আনুসংগিক কাৰ্যৰ বাবে দেশৰ ঔদ্যোগিক ব্যৱস্থাত এটা বিশেষ পদক্ষেপ গ্ৰহণ কৰিব পাৰিব। বিমান পৰিবাহী জাহাজ আই এন এছ বিক্ৰমাদিত্য ২০১৩ চনৰ নৱেম্বৰত ভাৰতীয় নৌসেনা বাহিনীত মকৰল কৰা হৈছিল।

০০০০০০০

চুডানৰ গেজিৰাত কালি ৰেপিড ছাপৰ্ট ফ'ৰ্চৰ আক্ৰমণত কমেও ১২ জন লোক নিহত হয়। ৰেপিড ছাপৰ্ট ফ'ৰ্চে পশ্চিম গেজিৰাৰ অল-মেহেইৰিবা অঞ্চলৰ ৮ খন গাঁৱক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল বুলি জানিব পৰা গৈছে। অৱশ্যে এই অভিযোগ সন্দৰ্ভত বৰ্তমানলৈ আৰ এছ এফে কোনো মন্তব্য কৰা নাই। আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে জনোৱা অনুসৰি ২০২৩ বৰ্ষৰ এপ্ৰিলৰ মাজভাগত চুডানৰ সশস্ত্ৰ বাহিনী আৰু ৰেপিড ছাপৰ্ট ফ'ৰ্চৰ মাজত হোৱা সংঘাতৰ ফলত চুডানত ২৭ হাজাৰতকৈও অধিক লোকৰ মৃত্যু হোৱাৰ লগতে ১ কোটি ৪০ লাখৰো অধিক লোকক স্থানান্তৰিত কৰা হৈছে।

০০০০০০০

মহাৰাষ্ট্ৰৰ দেৱলালীত আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে দেশৰ প্ৰতিৰক্ষা বাহিনী আৰু ছিংগাপুৰ প্ৰতিৰক্ষা বাহিনীৰ যুটীয়া সামৰিক অনুশীলন অগ্নি ৱাৰিয়ৰ-২০২৪ অনুষ্ঠিত হৈছে। ত্ৰয়োদশ দ্বিপাক্ষিক

অনুশীলনত ছিংগাপুৰ আৰ্টিলেৰী ৰেজিমেণ্টৰ ১৮২ গৰাকী আৰু ভাৰতীয় সেনাবাহিনীৰ ১১৪ গৰাকী বিষয়া-জোৱানে অংশগ্ৰহণ কৰিছে। ৰাষ্ট্ৰসংঘৰ কাৰ্যসূচীৰ অধীনত পাৰস্পৰিক বুজাবুজিৰ বাবে এই যুটীয়া অনুশীলন চলোৱা হৈছে। এই অনুশীলনত দুয়োপক্ষই অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে নিজৰ সামৰিক কৌশল প্ৰদৰ্শন কৰে। দেশৰ আৰ্টিলেৰীৰ সঞ্চালকপ্ৰধান লেফ্‌টেনেণ্ট জেনেৰেল এ কুমাৰ, ছিংগাপুৰ প্ৰতিৰক্ষা বাহিনীৰ কৰ্ণেল অল চিউ পাৰ্নে এই অনুশীলন প্ৰত্যক্ষ কৰে। তেওঁলোকে দুয়োপক্ষৰ বাহিনীয়ে দেখুওৱা প্ৰদৰ্শনক প্ৰশংসা কৰে।

০০০০০০০

সীমান্ত সুৰক্ষা বাহিনী বি এছ্ এফে চলিত বৰ্ষত এতিয়ালৈকে পাঞ্জাৱ সীমান্তইদি ভাৰতলৈ মাদক দ্ৰব্য, অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ কৰা ২৪৫ খন ড্ৰোণ জব্দ কৰিবলৈ সমৰ্থ হৈছে। বিগত বৰ্ষৰ তুলনাত জব্দ কৰা ড্ৰোণৰ সংখ্যা দুগুণলৈ বৃদ্ধি পাইছে। বিগত বৰ্ষৰ ৪৪০ কিলোগ্ৰাম হেৰ'ইনৰ তুলনাত এইবাৰ ২৫৪ কিলোগ্ৰাম হেৰ'ইন জব্দ কৰা হৈছে। বি এছ্ এফৰ অহৰহ পহৰা দিয়াৰ ফলত চলিত বৰ্ষত এই পৰিমাণ হ্ৰাস পাইছে। বি এছ্ এফে লগতে পাঞ্জাৱ সীমান্তত ৩টা পাকিস্তানী অনুপ্ৰৱেশকাৰী আৰু দুটা সৰবৰাহকাৰীসহ ৩০ জন পাকিস্তানী নাগৰিকক কৰায়ত্ত কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ ডুবাই আন্তৰ্জাতিক ষ্টেডিয়ামত ১৯ বছৰৰ অনুৰ্ধৰ এছিয়া কাপ গ্ৰুপ-এৰ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত  পাকিস্তানৰ হাতত ৪৩ ৰানত পৰাজিত হয়। পাকিস্তানে টছত জিকি প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ৫০ অ'ভাৰত ৭টা উইকেটৰ বিনিময়ত ২৮১ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ৪৭ অ'ভাৰ এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩৮ ৰান কৰে।

শ্বাৰজাহ ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ আন এখন খেলত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰই জাপানক ২৭৩ ৰানত পৰাজিত কৰে।

০০০০০০০

চৈয়দ মোদী ইণ্ডিয়া আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় যুটি ট্ৰেছা জলী আৰু গায়ত্ৰী গোপিছান্দ পুলেলাই থাইলেণ্ডৰ বেনয়াপা আইমষ্টাৰ্ড আৰু নুন্তাকাৰ্ন আইমষ্টাৰ্ডক ১৮-২১, ২১-১৮, ২১-১০ ছেটত পৰাস্ত কৰি মহিলা ডাবল্‌ছৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় শ্বাটলাৰ পি ভি সিন্ধুৱে উন্নতি হোদাক ২১-১২, ২১-৯ ছেটত পৰাস্ত কৰি মহিলা একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰ পূৰ্বে মিক্সড ডাবল্‌ছত ভাৰতীয় যুটি ধ্ৰুৱ্ কপিলা আৰু তানিছা ক্ৰাষ্টোৱে চীনৰ জ' জি হং আৰু য়ং জি য়ৰ বিৰুদ্ধে ২১-১৬, ২১-১৫ ছেটত জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। পুৰুষৰ একক শাখাত ভাৰতীয় শ্বাটলাৰ লক্ষ্য সেনে জাপানৰ শ্বোগো ওগাৱাৰ বিপৰীতে আৰু প্ৰিয়াংশু ৰাজাৱটে আজি ছিংগাপুৰৰ ছিড জিয়া হেং জেচন টেহৰ বিৰুদ্ধে ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০০

**সমাপ্ত**